# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

নং ঃ ১৬৮/২০২১

হোজাইত আয়োজিত জব্দকৃত ড্ৰাগছ বিনষ্টকৰণ অভিযানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

# ড্ৰাগছবিৰোধী এই যুঁজ সমাজৰ এক মহাব্যাধিৰ বিৰুদ্ধে অসমৰ ৰাইজৰ যুঁজ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৮ জুলাই ঃ** 'ড্ৰাগছমুক্ত অসম' গঢ়ি তোলাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি হোজাইৰ শংকৰদেৱ নগৰ খেলপথাৰত অসম আৰক্ষীৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত বিগত দুটা মাহত অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন স্থানত অভিযান চলাই জব্দ কৰা ড্ৰাগছৰ বিনষ্টকৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে জব্দকৃত ড্ৰাগছত অগ্নিসংযোগ কৰি বিনষ্টকৰণ প্ৰক্ৰিয়াত অংশ লয়। উল্লেখ্য যে আজিৰ এই ড্ৰাগছ বিনষ্টকৰণ অভিযানত ৩৫৩.৬২ গ্ৰাম হেৰ'ইন, ৭৩৬.৭৩ কেজি গাঞ্জা আৰু ৪৫,৮৪৩ টা টেবলেট বিনষ্ট কৰা হয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কালি আৰক্ষীৰ চেন্ট্ৰেল ৰেঞ্জৰ গোলাঘাটত আৰু আবেলি ডিফুত জব্দকৃত ড্ৰাগছ আদালতৰ অনুমতি সাপেক্ষে বিনষ্ট কৰা হৈছে। তদুপৰি আজি ৰাতিপুৱা নগাঁও আৰু এতিয়া হোজাইত জব্দকৃত ড্ৰাগছ ৰাজহুৱাভাৱে দাহন কৰি বিনষ্ট কৰা হৈছে। জব্দকৃত ড্ৰাগছ ৰাজহুৱাভাৱে বিনষ্টকৰণৰ জৰিয়তে ড্ৰাগছ মহাব্যাধিৰ বিৰুদ্ধে সমাজত জনজাগৰণৰ সৃষ্টি কৰাৰ প্ৰয়াস চলোৱা হৈছে বুলিও তেওঁ কয়। অসম আৰক্ষীয়ে বিগত দুটা মাহত অত্যন্ত নিষ্ঠাৰে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই যথেষ্ট সফল হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এই ক্ষেত্ৰত আৰক্ষীয়ে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। বিগত দুটা মাহত অসম আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে ৮৭৪ টা গোচৰ ৰুজু কৰিছে আৰু ১৪৯৩ গৰাকী ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ উপৰি ১৯.৯৮২ কেজি হেৰ'ইন, ৮২৭৬.৬৪৭ কেজি গাঞ্জা, ১৪.৪৯০২৭ কেজি অ'পিয়াম, ক'ডেইন ভিত্তিক ৬৭,৬৫০ টা কাফ চিৰাপৰ বটল, ১২৯৩৬২৮ টা টেবলেট, ১.৯২৯২ কেজি মৰফিন, ৩৩১৪ কেজি প'পি ষ্ট্ৰ, ক্ৰিষ্টাইল মেথামফেটামাইন ৩ কেজি, ১০৯২৮৭৬২ টকা নগদ ধন জব্দ, ১৩৬৩০ সংখ্যক বিদেশী মুদ্ৰা, ৬ হাজাৰ ৮০০ টকা মূল্যৰ নকল ভাৰতীয় মুদ্ৰাৰ নোট আৰু প্ৰায় ৩১ বিঘাৰ কেনাবিজৰ খেতি ধ্বংস কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই জব্দ কৰা ড্ৰাগছৰ মূল্য প্ৰায় ১৬৩.৫৮ কোটি টকা বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ড্ৰাগছে এটা পৰিয়াল তথা সমাজক ধ্বংসৰ গৰাহলৈ ঠেলি দিয়ে বুলি উল্লেখ কৰি যেতিয়ালৈকে ৰাজ্যখনৰ মাজেৰে ড্ৰাগছ সৰবৰাহ বন্ধ নহয় তথা ৰাজ্যখনত ড্ৰাগছৰ ব্যৱসায় বন্ধ নহয়, তেতিয়ালৈকে অসম আৰক্ষীয়ে অহৰ্নিশে ইয়াৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ড্ৰাগছৰ বিৰুদ্ধে চলোৱা এই যুঁজখনক ৰাজনৈতিক দলৰ যুঁজ নহয় বুলি উল্লেখ কৰি এই যুঁজখন অসমৰ জনসাধাৰণৰ এই মহাব্যাধিৰ বিৰুদ্ধে চলোৱা যুঁজ বুলিও মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণ প্ৰসংগত উল্লেখ কৰে।

আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ, লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰ, যমুনামুখ সমষ্টিৰ বিধায়ক চিৰাজুদ্দিন আজমল, হোজাই সমষ্টিৰ প্ৰাক্তন বিধায়ক শিলাদিত্য দেৱ, হোজাই জিলাৰ উপায়ুক্ত ড° ছাদ্‌নেক সিং, হোজাইৰ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থকে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**বঃভাঃ**

**১৮/০৭/২০২১**